জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭০/২০২০

# মাজুলীত মুখ্যমন্ত্ৰী সোণোৱালে খিলঞ্জীয়া ভূমিহীন পৰিয়ালক বিতৰণ কৰিলে মাটিৰ পট্টা আৰু ভূমি আবণ্টন পত্ৰ

## ১ লাখতকৈও অধিক থলুৱা খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ ৰাজ্য চৰকাৰে আগবঢ়ালে মাটিৰ পট্টা আৰু আবণ্টন পত্ৰ

## খিলঞ্জীয়া সুৰক্ষিত হ'লেহে অসম সুৰক্ষিত হ'ব ঃ মুখ্যমন্ত্ৰী

## ৰাজ্য চৰকাৰৰ এই পদক্ষেপে খিলঞ্জীয়া জনসাধাৰণৰ জাতি-মাটি-ভেটি সুৰক্ষিত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ অক্টোবৰ ঃ** ৰাজ্যখনৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমিৰ ওপৰত থকা অধিকাৰ সাব্যস্তকৰণৰ দিশত উল্লেখযোগ্য ভূমিকা পালনেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ্য ব্যৱস্থাপনা বিভাগৰ উদ্যোগত তথা মাজুলী জিলা প্ৰশাসনৰ সহযোগত দৰিয়াপাৰস্থিত মাজুলী মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত মাজুলী জিলাৰ খিলঞ্জীয়া ৩ হাজাৰৰো ওপৰৰ ভূমিহীন পৰিয়ালৈলৈ মাটিৰ পট্টা আৰু আবণ্টন পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে দ্বিতীয় পৰ্যায়ত এই কাৰ্যসূচী বিভিন্ন জিলাত আজি ৰূপায়ণ কৰিছে। ইয়াৰ ফলশ্ৰুতিত সমগ্ৰ ৰাজ্যখনৰ ১ লাখতকৈও অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়ালে মাটিৰ ওপৰত নিজৰ অধিকাৰ লাভ কৰাৰ পথ প্ৰশস্ত হ'ল।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম চুক্তিৰ সকলো দফা ৰূপায়ণৰ দিশত অবিৰতভাৱে তথা নিষ্ঠাসহকাৰে পদক্ষেপ লৈ আছে আৰু ভৱিষ্যতেও লৈ যাব। মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়া সুৰক্ষিত হ'লেহে অসম সুৰক্ষিত হ'ব। অসম চৰকাৰে অসমৰ থলুৱা তথা খিলঞ্জীয়া পৰিয়ালৰ জাতি-মাটি-ভেটি সুৰক্ষিকৰণৰ বাবে যি প্ৰতিশ্ৰুতি দিছিল সেয়া নতুন ভূমি নীতি হাতত লৈ অসমৰ ১ লাখৰো অধিক ভূমিহীন পৰিয়ালৈলৈ মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপেই আজি পূৰণ কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই পদক্ষেপে অসম আন্দোলনৰ দাবী পূৰণ কৰাৰ লগতে থলুৱা খিলঞ্জীয়া পৰিয়ালৰ জাতি-মাটি-ভেটি সুৰক্ষিতকৰণৰ দিশত বৃহৎ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মাটিৰ ওপৰত অধিকাৰ নাথাকিলে এটা জাতিৰ ভৱিষ্যৎ সুৰক্ষিত নহয় বুলি উল্লেখ কৰি ২০১৬ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছতেই ৰাজ্য চৰকাৰখনে থলুৱা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদানেৰে তেওঁলোকৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে সিদ্ধান্ত লৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ কেইবাখনো জিলাৰ প্ৰায় ১ লাখৰো ওপৰ খিলঞ্জীয়া ভূমিহীন

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

পৰিয়াললৈ মাটিৰ পট্টা তথা ভূমি আৱণ্টন পত্ৰ প্ৰদানেৰে তেওঁলোকৰ ভূমিৰ ওপৰত থকা অধিকাৰ সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰখনে দায়বদ্ধতাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম চুক্তিৰ সকলোবোৰ দফাৰ ফলপ্ৰসূ ৰূপায়ণৰ দিশত অবিৰতভাৱে পদক্ষেপ লৈ যাব বুলিও কয়।

এন আৰ চিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে শাসনভাৰ লোৱাৰ প্ৰথম দিনটোতে মুখ্যমন্ত্ৰী হিচাপে তেখেতে এন আৰ চি কাৰ্যালয়লৈ গৈ এই প্ৰক্ৰিয়াৰ বিষয়ে সবিশেষ বুজ লৈছিল আৰু উচ্চতম ন্যায়ালয়ে যিহেতু প্ৰত্যক্ষভাৱে এন আৰ চি প্ৰক্ৰিয়া নিৰীক্ষণ কৰিছিল ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় মানৱ সম্পদ তথা সহায়-সহযোগিতা আগবঢ়োৱা হৈছিল। এখন ত্ৰুটিহীন এন আৰ চি প্ৰস্তুত কৰাৰ দিশত ৰাজ্য চৰকাৰ দায়বদ্ধ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, জনসাধাৰণৰ সক্ৰিয় সহযোগত বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম তথা অসমীয়াৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ দিশত কোনো ত্ৰুটি কৰা নাই বৰঞ্চ নিষ্ঠা সহকাৰে আত্মনিয়োগ কৰিছে বুলিও তেওঁ কয়। বিগত দিন বিলাকত এন আৰ চিৰ দিশত ৰাজ্য চৰকাৰে কেনেধৰণে নিষ্ঠা সহকাৰে সহায়-সহযোগিতা আগবঢ়াইছে সেই সকলোবোৰ দিশ জনসাধাৰণৰ অৱগত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে অসম চুক্তিৰ ৬ নং দফা ফলপ্ৰসূভাৱে ৰূপায়ণৰ দিশতো চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। শাসনভাৰ হাতত লৈয়ে তেওঁ নিজে ভাৰত-বাংলাদেশ সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতিৰ চৰজমিন পৰিদৰ্শন কৰিছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই সীমান্ত ছীল কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা লোৱা হৈছে বুলি তেওঁ কয়। বীৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এককালীন ৫ লাখ টকাকৈ আগবঢ়াইছে বুলি উল্লেখ কৰি গুলীবিদ্ধ আৰু আঘাতপ্ৰাপ্ত সকলক ২ লাখ টকাকৈ এককালীন সাহায্য চৰকাৰখনে আগবঢ়াইছে বুলিও তেওঁ কয়। ঠিক তেনেদৰে, অসমৰ কৃষ্টি সংস্কৃতিৰ পৰিচয় বহন কৰা সত্ৰসমূহৰ ভূমি বেদখলমুক্ত কৰাৰ বাবেও বৰ্তমানৰ চৰকাৰখনে আন্তৰিকতাৰে পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ সামাজিক-সাংস্কৃতিক ঐতিহ্য সুৰক্ষিতকৰণৰ বাবে ৰাজ্য চৰকাৰে অসম সাহিত্য সভাকে ধৰি ৩৩ খন সাহিত্য সভালৈ কৰ্পাচ ফাণ্ড গঠনৰ বাবে পুঁজি আগবঢ়োৱাৰ উপৰি সত্ৰ তথা নামঘৰ সমূহলৈ বিত্তীয় সাহায্য আগবঢ়াইছে বুলি তেওঁ কয়।

উল্লেখ্য যে আজিৰ বিতৰণকে ধৰি মাজুলীত বৰ্তমানৰ চৰকাৰখনে সৰ্বমুঠ ৮৪৮৯ টা খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা আৰু আৱণ্টন পত্ৰ প্ৰদান কৰিছে। তদুপৰি আগন্তুক দুটা মাহত মাজুলীত আৰু ৫ হাজাৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা তথা ভূমি আৱণ্টন পত্ৰ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱগোস্বামী, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মাধৱ দেউৰী, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰীয়েও বক্তব্য প্ৰদান কৰে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৫/১০/২০২০**